VOL - II

# Bhakti Movement

## LOVE DEVOTION AND SOCIO-POLITICAL IMPLICATIONS

*(Proceedings of Seminar)*

**EDITORS**

Dr. Abul Foyes Md Malik
Dr. Smita Rani Saikia

Srijon Sahitya Chora
Digboi Mahila Mahavidyalaya, Digboi

**Bhakti Movement: Love, Devotion and Socio-Political Implications (Vol- II)**

Edited by : Dr Abul Foyes Md Malik, Dr. Smita Rani Saikia

Published by : SUNBEAM, Rupnagar
Guwahati- 32
on behalf of
Srijon Sahitya Chora
Digboi Mahila Mahavidyalaya
Digboi, Assam

First Published : June, 2024

Price : 1200/- (Rupees One Thousand Two Hundred) only

ISBN : 978-93-93092-62-5

Printed at : SUN BEAM
1 Sankardev Path
Rupnagar, Guwahati- 781032
email : sunbeampress.2007@gmail.com

সভাপণ্ডিত/৩৩১
Chapter – 44 যুগনায়ক শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন আৰু ভক্তি আন্দোলন/মমতা দেৱী/৩৩৭
Chapter – 45 অসমীয়া মৌখিক সাহিত্যত বৈষ্ণৱ চিন্তন/মনোৰঞ্জন বৰদলৈ/৩৪৪
Chapter – 46 শঙ্কৰদেৱৰ সাংস্কৃতিক আন্দোলন/মিনু বৰা/৩৬১
Chapter – 47 শ্ৰীমন্ত শংকৰদেৱ আৰু ভক্তি তত্ব/নাৰায়ণ চন্দ্ৰ বৈশ্য/৩৬৭
Chapter – 48 কবিৰাজ চক্ৰৱৰ্ত্তীৰ শকুন্তলা কাব্যত নৱৰূপবাদ ঃ ভক্তি সাহিত্যৰ প্ৰভাৱ/প্ৰাঞ্চী বৰা/৩৭৩
Chapter – 49 অজামিলৰ গতি লাভ নাটত কৃষ্ণ ভক্তিৰ প্ৰতিফলন/ঋতুপৰ্ণা শইকীয়া/৩৮৪
Chapter – 50 শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটৰ ৰস বিচাৰ/টুটুমনি দাস/৩৯২
Chapter – 51 মহাপুৰুষ শংকৰদেৱৰ অংকীয়া নাট আৰু বৰগীতত ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ ঃ সৃষ্টিশীলতাৰ নিদৰ্শন আৰু সামাজিক পৰিৱৰ্তণৰ কাৰক -এটি বিশ্লেষণাত্মক অধ্যয়ণ/ডঃ আজিজুৰ ৰহমান/৩৯৯
Chapter – 52 ভাৰতবৰ্ষৰ ভক্তি আন্দোলন আৰু অসম ঃ এটি অধ্যয়ন/কৰবী দাস/৪১০
Chapter – 53 "অসমৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত ভক্তিৰ স্বৰূপ"/শ্ৰীমতী ৰিংকুমণি গগৈ/৪১৭
Chapter – 54 অসমীয়া জাতিৰ সমাজ সংস্কাৰক হিচাপে শংকৰদেৱ ঃ এক অধ্যয়ন/চানচান যুগলী/৪২৯
Chapter – 55 ভক্তি আন্দোলনৰ সময়ত অসমত শংকৰদেৱৰ সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠাৰ এটি অৱলোকন/মনীষা কোঁৱৰ/৪৩৪
Chapter – 56 "মধ্যকালীন ভাৰতত ভক্তি আন্দোলন আৰু সন্ত কবীৰ দাসৰ অৱদান"/ময়ূৰী বৰকাকতি/৪৪১
Chapter – 57 অসমীয়া সমাজ-সংস্কাৰত শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি আন্দোলন ঃ এক চমু অৱলোকন/মৃণালী পেগু, সৌৰভ চক্ৰৱৰ্তী/৪৪৯
Chapter – 58 ভক্তি আন্দোলনৰ প্ৰেক্ষাপটত শংকৰদেৱৰ বৰগীতঃ এক নিৰ্মোহ বিশ্লেষণ/ ড° পলী বেজবৰুৱা, আব্দুল হানিফ খান/৪৫৬
Chapter – 59 শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি আন্দোলন ঃ ইয়াৰ উথান, বৈশিষ্ট্য আৰু প্ৰভাৱ/ দীপ্তি দাস, ৰনজিৎ বৈশ্য/৪৭০

# অসমৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত ভক্তিৰ স্বৰূপ

শ্ৰীমতী ৰিংকুমণি গগৈ

০.০ আৰম্ভণি ঃ

ভক্তি হৈছে ধৰ্মৰ দ্বাৰা সিক্ত এক গভীৰ অনুভৱ বা মানসিক অৱস্থা। অৱশ্যে ভক্তি শব্দৰ অৰ্থ সম্বন্ধে বিভিন্ন মতবাদ আছে। সংস্কৃত ভজ্ ধাতুৰ পৰা নিষ্পন্ন হোৱা ভক্তি শব্দই সাধাৰণভাৱে উপাস্য দেৱতা বা ঈশ্বৰৰ প্ৰতি কৰা সেৱা উপাসনাকে বুজায়। ভক্তিৰ দ্বাৰাই ভক্ত আৰু ভগৱানৰ মাজত অভিন্ন সম্পৰ্ক স্থাপিত হৈছে। শৈৱ, শাক্ত, বৈষ্ণৱ আদি ভিন্ন পন্থাৰ প্ৰচলন থাকিলেও ভক্তিয়েই সকলোৰে মূল। অসমত বিভিন্ন ধৰ্মীয় আদৰ্শ প্ৰচলন অতীজৰে পৰা আছিল যদিও বৈষ্ণৱ ধৰ্মৰ আদৰ্শ অতি প্ৰাচীন। খ্ৰীষ্টাব্দ পঞ্চম শতিকামানৰ পৰাই অসমত বৈষ্ণৱ ধৰ্মৰ অৱস্থিতিৰ প্ৰকাশ দেখা যায়। পঞ্চদশ শতিকাত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে যি "নৱবৈষ্ণৱ" ধৰ্ম প্ৰচাৰ কৰিলে সিয়ে অসমত দেশত এক নৱ জাগৰণৰ সৃষ্টি কৰিলে।

উদ্দেশ্য আৰু গুণৰ আধাৰত ভক্তিক মূলত দুটা ভাগত ভাগ কৰিব পাৰি -- (১) সগুণ ভক্তি আৰু (২) নিৰ্গুণ ভক্তি। ভক্তিৰ চৰম স্তৰত উপনীত হ'বলৈ সাধকসকলে ন-বিধ ভক্তিৰ মাজেৰে স্তৰে স্তৰে গতি কৰিব লাগিব। শ্ৰীমদ্ভাগৱত পুৰাণ আৰু অন্যান্য ভক্তি শাস্ত্ৰত উল্লেখ কৰা এই ন-বিধ বা নৱবিধ ভক্তি হ'ল শ্ৰৱণ, কীৰ্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্ম নিবেদন। মহাপুৰুষীয়া সাধন মাৰ্গত নাম, দেৱ, গুৰু আৰু ভকত – এই চাৰিবস্তুৰ গুৰুত্ব অপৰিসীম। নিৰ্গুণ ব্ৰহ্মৰ সগুণ উপাসনা ভাৰতীয় ভক্তিতত্বৰ উল্লেখযোগ্য দিশ। শঙ্কৰদেৱে দশমত এই কথা স্পষ্টকৈ কৈছে-